**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------------------------------

১। ৰাজ্যৰ পাঁচটা বিধানসভা নিৰ্বাচনৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

২। ডানা নামৰ ঘূৰ্ণী বতাহ জাকত সম্প্ৰতি ওড়িশা আৰু পশ্চিমবংগৰ উপকূল ভাগৰ বিভিন্ন অংশ প্ৰভাৱিত। অসমৰো ঠায়ে ঠায়ে পাতলীয়াৰ পৰা মজলীয়া বৃষ্টিপাত।

৩। ভাৰতৰ ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱলৈ ৩ খন অসমীয়া ছবিৰ লগতে এখন গাৰো ভাষাৰ ছবি নিৰ্বাচিত।

৪। বহনক্ষম পানী যোগান ব্যৱস্থা সুনিশ্চিত কৰিবলৈ জল জীৱন মিছন অসমৰ দুখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মহিলা ক্ৰিকেট দলৰ মাজত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ জয়লাভ।

ooooo

ৰাজ্যৰ পাঁচটা বিধানসভা নিৰ্বাচনৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। আজি বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই মনোনযন পত্ৰ দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিলৰ সময়ত কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈ উপস্থিত থকাৰ কথা আছে। ছিদলী বিধানসভা সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে আজি মনোনয়ন-পত্ৰ দাখিল কৰিব। ছিদলী বিধানসভা সমষ্টিৰ শেহতীয়া নিৰ্বাচনী বাতাবৰণ সন্দৰ্ভত বিতং তথ্যৰে আমাৰ সৈতে সংযুক্ত হৈছে চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায় -

**ভইছ কাষ্ট (কুঞ্জ মোহন ৰায়)**

বৰ্তমানলৈকে ৰাজ্যৰ পাঁচটা সমষ্টিৰ বাবে মুঠ ১৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বঙাইগাঁও বিধানসভা সমষ্টিৰ নিৰ্বাচন সন্দৰ্ভত বিতংভাৱে জনাইছে আমাৰ সংবাদদাতা তেজেছ ত্ৰিপাঠীয়ে -

**ভইছ কাষ্ট (তেজেছ ত্ৰিপাঠী)**

আনহাতে, ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী তথা বিজেপি নেতা পীযুষ হাজৰিকাই কালি চামগুৰিত দলীয় প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। জ্যেষ্ঠ নেতাগৰাকীয়ে বিহালীত বিজেপি দলৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ মনোনয়ন পত্ৰ দাখিলৰ সময়তো উপস্থিত থাকে। ইপিনে, আম আদমী পাৰ্টিয়েও বিহালী বিধানসভা সমষ্টিৰ বাবে অনন্ত গগৈ আৰু চামগুৰি বিধানসভা সমষ্টিৰ বাবে নুৰুল আমিন চৌধুৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

ইপিনে, জ্যেষ্ঠ বিজেপি নেতা তথা ৰাজ্যিক জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ধলাই সমষ্টিৰ বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱাৰ লগতে মনোনয়ন পত্ৰ দাখিলৰ সময়ত সংগ দিয়ে। আনহাতে, ধলাই সমষ্টিতেই নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰে কাছাৰ জিলা বিজেপিৰ পদত্যাগী উপ-সভাপতি অমিয় কান্তি দাসে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, কালি মাজনিশা ওড়িশাৰ ভিটৰকনিকা ৰাষ্ট্ৰীয় উদ্যান আৰু ধামৰা বন্দৰৰ মাজৰ উপকূল ভাগত খুন্দা মৰা দানা নামৰ ঘূৰ্ণী বতাহ জাক সম্প্ৰতি ওড়িশা আৰু পশ্চিমবংগৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হৈছে। ভূৱনেশ্বৰৰ বতৰ বিজ্ঞান বিভাগৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে, ধুমুহাজাক ভূ-ভাগত প্ৰৱেশ কৰাৰ সময়ত ইয়াৰ গতিবেগ প্ৰতিঘণ্টাত ১২০ কিলোমিটাৰলৈ বৃদ্ধি পায়। প্ৰৱল ধুমুহা জাক দুৰ্বল হোৱালৈকে প্ৰায় ৩-৪ ঘণ্টা বতাহ জাকৰ প্ৰাবল্য একেদৰে থাকে। বতাহজাকৰ প্ৰভাৱত ওড়িশাৰ কেন্দ্ৰপাৰা আৰু ভদ্ৰক জিলাত ধাৰাষাৰ বৰষুণ হোৱা বুলি জানিব পৰা গৈছে। ময়ূৰভঞ্জ, কটক, জাজপুৰ, বালেশ্বৰ আৰু জগতসিঙপুৰ জিলা আৰু ইয়াৰ চৌপাশৰ এলেকাসমূহতো প্ৰৱল বৰষুণ দি আছে। স্থানীয় কৰ্তৃপক্ষসমূহক সৰ্তক কৰি দিয়া হৈছে আৰু বিপদৰ আশংকা থকা এলেকাসমূহক জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন মাঝিয়ে পৰিস্থিতি সক্ৰিয়ভাৱে নিৰীক্ষণ কৰি আছে।

ঘূৰ্ণী বতাহজাকৰ ফলত সমগ্ৰ অসমতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱা দেখা গৈছে।

০০০০০০

ভাৰতৰ ৫৫ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ অহা ২০ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰলৈ গোৱাৰ পানাজীত অনুষ্ঠিত হ'ব। স্বাধীনতা সংগ্ৰামী ছাভাৰকাৰৰ জীৱনভিত্তিক হিন্দী ভাষাত নিৰ্মিত **স্বতন্ত্ৰ বীৰ ছাভাৰকাৰ** ছবিখনেৰে আন্তঃৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ মুকলি কৰা হ'ব। এই মহোৎসৱলৈ মুঠ ২৫ খন কাহিনী ছবি আৰু ২০ খনকৈ তথ্যচিত্ৰৰ ভিতৰত ৩ খন অসমীয়া ছবিৰ লগতে এখন গাৰো ভাষাৰ ছবিও নিৰ্বাচিত হৈছে। যদুমণি দত্ত পৰিচালিত **জুইফুল**, ড০ ববী শৰ্মা বৰুৱাৰ **ৰ'দৰ পাখি**, ৰাজেশ ভূঞাৰ **স্বৰ্গৰথ** তথা গাৰো ভাষাৰ ছবি **ছানছিছোৱা**য়ো পেনোৰামালৈ নিৰ্বাচিত হৈছে। গাৰো ভাষাৰ এই ছবিখনৰ পৰিচালক হৈছে ইলভাছিছা চাংমা আৰু দীপাংকৰ দাস। **স্বৰ্গৰথ** বোলছবিখনৰ চিত্ৰনাট্যকাৰ শান্তনু ৰৌমুৰীয়াই ছবিখন নিৰ্বাচন হোৱা সন্দৰ্ভত এইদৰে কয়–

**ভইচ কাষ্ট (শান্তনু ৰৌমুৰীয়া)**

০০০০০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ কাইলৈ আৰু পৰহিলৈ গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত হ'ব। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবিৰ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। কাইলৈ এই মহোৎসৱ কটন বিশ্ববিদ্যালয়ৰ উপচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই উদ্বোধন কৰিব।

০০০০০০

জল জীৱন মিছন অসমে ভৱিষ্যত প্ৰজন্মৰ বাবে বহনক্ষম পানীযোগান ব্যৱস্থা সুনিশ্চিত কৰিবলৈ কালি দুখন গুৰুত্বপূৰ্ণ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ৱাটাৰ এনভাইৰনমেণ্ট লেণ্ড এণ্ড লাইভলিহুড লেব আৰু টাটা ট্ৰাষ্টৰ চেণ্টাৰ ফৰ মাইক্ৰ' ফাইনেন্স এণ্ড লাইভলিহুডৰ লগত এই বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। জল জীৱন মিছনৰ অধীনত ভূ-গৰ্ভৰ জল উৎসসমূহৰ সুৰক্ষা আৰু বহনক্ষমতা সুনিশ্চিত কৰাৰ লগতে নলযোগে পানী যোগান ধৰাৰ ব্যৱস্থা নিশ্চিত কৰাটো এই চুক্তিৰ মূল উদ্দেশ্য। লগতে ৰাজ্যখনৰ পাহাৰীয়া জিলাকেইখনৰ নিজৰাসমূহ সুৰক্ষিত আৰু পুনৰুজ্জীৱিত কৰাৰ লক্ষ্যৰে সময়োপযোগী কাৰ্যপন্থা গ্ৰহণ কৰাটোও এই চুক্তিৰ অন্যতম উদ্দেশ্য। উল্লেখযোগ্য যে জল জীৱন মিছন অসমৰ অধীনত ৰাজ্যখনত ৫৮ লাখ ৩৯ হাজাৰ ৯০৩টা অৰ্থাৎ ৮১ শতাংশৰো অধিক গ্ৰাম্য পৰিয়াললৈ নলযোগে পানী যোগান ধৰা হৈছে। আঁচনিৰ অধীনত ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ এশ শতাংশ পৰিয়ালক পানী যোগানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০

আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে কৰিমগঞ্জ জিলাৰ পঞ্চায়তসমূহৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। এই তালিকাত নাম অন্তৰ্ভুক্ত হোৱা মুঠ ভোটাৰৰ সংখ্যা ৮ লাখ ৫৭ হাজাৰ ৩২৬ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ৪ লাখ ৩৬ হাজাৰ ১৮০ গৰাকীৰ বিপৰীতে মহিলা ভোটাৰৰ সংখ্যা ৪ লাখ ২১ হাজাৰ ১২৭। ইফালে জিলাখনত ১৯ গৰাকী তৃতীয় লিংগৰ ভোটাৰো আছে। কৰিমগঞ্জৰ জিলা আয়ুক্তই ভোটাৰ ৰাইজক ermssec.assam.gov.in ৱেবছাইট অথবা ই পি আই চি নম্বৰৰ জৰিয়তে ভোটাৰ তালিকাত থকা নিজৰ লগতে পৰিয়ালৰ তথ্যৰ পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

জাগীৰোড মহাবিদ্যালয়ত আজি অৰ্ধ পৰিবাহী পৰিমণ্ডল-উত্তৰ পূব ভাৰতৰ বাবে সুযোগ আৰু সজাগতা শীৰ্ষক এলানি আলোচনা অনুষ্ঠিত হ'ব। ছেমি কণ্ডাক্টৰ অৰ্থাৎ অৰ্ধ পৰিবাহী উদ্যোগৰ লগত জড়িত বহুকেইগৰাকী বিশেষজ্ঞই এই আলোচনাত সমল ব্যক্তিৰূপে উপস্থিত থাকিব।

০০০০০০

ধুবুৰী জিলাৰ ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত কালি ধুবুৰী জিলা সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ এখন বৈঠক মহাবিদ্যালয়খনত অনুষ্ঠিত হয়। জিলা সাহিত্য সভাৰ উপ-সভাপতিৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠক ভোলানাথ মহাবিদ্যালয়ৰ ভাষা সাহিত্য চ'ৰাৰ সভাপতি ড০ অলকা শৰ্মাই পৰিচালনা কৰে।

এই কৰ্ণধাৰ সমিতিৰ বৈঠকত জিলা সাহিত্য সভাই আগন্তুক কাৰ্যনিৰ্বাহকৰ লগতে জিলা সাহিত্য সভাৰ নিৰ্বাচন, সাংগঠনিক কাম-কাজ, অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা লাভ কৰা প্ৰসংগত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠান আদিৰ বিষয়ে আলোচনা কৰে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পৰহিলৈ গুৱাহাটীত উপস্থিত হৈ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে।

০০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ২০২৪ বৰ্ষৰ ক্ৰীড়া বঁটাসমূহৰ বাবে আবেদন বিচাৰিছে। খেলৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট প্ৰদৰ্শনৰ স্বীকৃতি স্বৰূপে প্ৰতি বছৰে এই বঁটাসমূহ প্ৰদান কৰা হয়। খেলৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট আৰু আকৰ্ষণীয় প্ৰদৰ্শনৰ বাবে এগৰাকী খেলুৱৈকে মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা প্ৰদান কৰা হয়। একেদৰে নিৰন্তৰ উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে অৰ্জুন বঁটা প্ৰদান কৰা হয়। খেলৰ বিকাশত আগবঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে শেহতীয়াকৈ প্ৰৱৰ্তন কৰা অৰ্জুন জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। সেইদৰে আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় খেল প্ৰতিযোগিতাত পদক জয়ী খেলুৱৈ গঢ়ি তোলাৰ বাবে প্ৰশিক্ষকসকলক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হয়। যোগ্য খেলুৱৈ, প্ৰশিক্ষক আৰু সংস্থাসমূহে ১৪ নৱেম্বৰৰ ভিতৰত dbtyas-sports.gov.in প'ৰ্টেল যোগে আবেদন দাখিল কৰিব পাৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মানসিক স্বাস্থ্যৰ যতন সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰিব। অনুষ্ঠানত মানসিক ৰোগৰ চিকিৎসক ডাঃ জয়ন্ত দাস সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি তেখেতৰ সৈতে কথা পাতিব পাৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলে কালি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত নিউজিলেণ্ডক ৫৯ ৰানত পৰাস্ত কৰে। নিউজিলেণ্ড ২২৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪০ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৬৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ ৰাধা যাদৱে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে ছাইমা ঠাকোৰে দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৪ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২২৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ তেজল হছবনিচে সৰ্বাধিক ৪২ ৰান কৰে। দিপ্তী শৰ্মাই ৪১ ৰানৰ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই। দিপ্তী শৰ্মাক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি বিৰোধী দলসমূহৰ ঐক্য সংস্থা অসম সন্মিলিত মঞ্চত সৃষ্টি হোৱা বিবাদৰ বাতৰিটো অসমীয়া খবৰ কাকতে **বিশ্বাসঘাতক কংগ্ৰেছ, সন্মিলিত মৰ্চাত হাহাকাৰ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক অসম, নিয়মীয়া বাৰ্তা, দৈনিক জনমভূমি কাকতে মুখ্য বাতৰিত স্থান দিছে। দি আছাম ট্ৰিবিউনৰ শিৰোনাম- CRACKS WIDE OPEN IN 16-PARTY OPP ALLIANCE OVER BEHALI SEAT।

ৰাজ্য চৰকাৰে সত্ৰনগৰী বৰপেটা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বাস কৰা খিলঞ্জীয়াৰ মাটি আৰু সম্পদৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে কেতবোৰ কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বিপৰীতে খিলঞ্জীয়াৰ মাটি আৰু সম্পদসমূহ জালিয়াতিৰে হস্তান্তৰ হোৱা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **ভয়ংকৰ জালিয়াতিৰে খিলঞ্জীয়াৰ ভূমি হস্তান্তৰ** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

সামাজিক মাধ্যমৰ কেতবোৰ ভুৱা একাউণ্টৰ পৰা অজ্ঞাতলোকে দিয়া ভাবুকিক কেন্দ্ৰ কৰি আজি বিভিন্ন ভাৰতীয় বিমান সংস্থাৰ বৃহৎ সংখ্যক বিমানত পুনৰ বোমাতংকৰ সৃষ্টি হোৱা বাতৰিটো দৈনিক অগ্ৰদূত কাকতে **একেদিনাই ৯৫ খন বিমানত বোমাতংক** শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

বংগোপসাগৰত সৃষ্টি হোৱা ঘূৰ্ণীবতাহ **ডানাই** আজি মাজনিশা ওড়িশা আৰু পশ্চিমবংগত খুন্দা মাৰিব বুলি বতৰ বিজ্ঞান বিভাগে সতৰ্কবাণী দিয়াৰ লগতে আজি সন্ধিয়াৰ পৰা কাইলৈ পুৱা ৯ বজালৈকে ৩০৯ খন বিমানৰ উৰণ বন্ধ ৰখা হৈছে আৰু ৫৫০ খন ৰে'ল বাতিল কৰা হৈছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- বাংলাদেশী ৰোধৰ পদক্ষেপ চৰকাৰৰ ঃ চাৰি জিলাত অতিৰিক্তকৈ স্থাপন কৰিব ১২ খন আৰক্ষী থানা, কামৰূপ মহানগৰ, ডিমা হাচাও, কাৰ্বি আংলঙকে ৰাজ্যৰ তিনিখন জিলাত ডেংগুৰ জটিলৰূপ ধাৰণ, দেশৰ মুখ্য ন্যায়াধীশ হিচাপে সঞ্জীৱ খান্নাক নিযুক্তি ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত